এণ্ডমেট্ৰিয়চিছ ৰোগৰ প্ৰাদুৰ্ভাৱ, চিকিৎসা আৰু নিয়ন্ত্ৰণ সম্পৰ্কে আনুবংশিক অধ্যয়ণ
আই.চি.এম.আৰ.-এন.আই.আৰ.আৰ.এইচ.
মুম্বাই, ভাৰত।


ডঃ স্মিতা মাহালী
আই.চি.এম.আৰ.-এন.আই.আৰ.আৰ.এইচ.
মুম্বাই, ভাৰত


প্ৰফেচ'ৰ গ্ৰেন্ট মন্টগমেৰী
ইনষ্টিটিউট অফ মলিকুলাৰ বায়োচাইন্স,
কুইন্সলেণ্ড ইউনিভাৰ্চিটি
অষ্ট্ৰেলিয়া


ডঃ ৰাজেশ দিক্ষিত
চেন্টাৰ ফ'ৰ কেন্সাৰ এপিডেমিয়লজি
টাটা মেমৰিয়েল চেন্টাৰ
মুম্বাই, ভাৰত


প্ৰফেচ'ৰ গীতা মিশ্ৰ
কুইন্সলেণ্ড ইউনিভাৰ্চিটি
অষ্ট্ৰেলিয়া


ডাঃ ৰাহুল গাজভিয়ে
বিজ্ঞানী, ৱেলকাম ট্ৰাষ্ট ডি.বি.টি ইণ্ডিয়া এলায়েন্স
ক্লিনিকেল এণ্ড পাব্লিক হেলথ্ ইন্টাৰমেডিয়েট ফেল'
আই.চি.এম.আৰ.-এন.আই.আৰ.আৰ.এইচ,
মুম্বাই ভাৰত


ডাঃ প্ৰথমেশ দাস মহাপাত্ৰ
স্পেকট্ৰাম ক্লিনিক এণ্ড এণ্ডস্কপি ৰিচাৰ্চ ইনষ্টিটিউট
চৈত্ৰপিত্ৰেৰ চাৰণি, কলকতা
ৱেষ্ট বেংগল


ডাঃ নীতা ৰাৱটি
সঞ্জীৱনী এণ্ডস্কপি চেন্টাৰ
কান্দিভালী, মুম্বাই, মহাৰাষ্ট্ৰ


ডাঃ প্ৰণয় ফুকন
স্ত্ৰী আৰু প্ৰসুতি ৰোগ বিভাগ
অসম চিকিৎসা মহাবিদ্যালয়
ডিব্ৰুগড়, অসম


ডাঃ কেডাৰ পাড়টে
ডাঃ কেলাৰচ মেটাৰ্নিটি, ইনফাৰ্টিলিটি এণ্ড
চাৰজিকেল হস্পিটেল, এণ্ডস্কপি এণ্ড
আই.ভি.এফ.চেন্টাৰ, পানজি, গোৱা


ডাঃ বিনীতা দাস
স্ত্ৰী আৰু প্ৰসুতি ৰোগ বিভাগ
কিং জৰ্জ মেডিকেল ইউনিভাৰ্চিটি
লক্ষ্ণৌ, উত্তৰ প্ৰদেশ


ডাঃ মুৰলিধৰ ভি. পাই
স্ত্ৰী আৰু প্ৰসুতি ৰোগ বিভাগ
কস্তুৰীবাই মেডিকেল কলেজ
মণিপাল, কৰ্ণাটক


ডাঃ শশাংক শেখৰ
স্ত্ৰী আৰু প্ৰসুতি ৰোগ বিভাগ
এইম্চ, যোধপুৰ, ৰাজস্থান


ডাঃ বিমল জন
মিনিমেলি ইনভেচিভ চাৰ্জাৰী ইউনিট
ফ্ৰিডেল্স হস্পিটেল
ত্ৰিভেন্দ্ৰাম, কেৰেলা


ডাঃ কেতকী কুলকাৰ্ণি
নাওৰজে ৱাডিয়া মেটাৰ্নিটি হস্পিটেল
পাৰেল, মুম্বাই, মহাৰাষ্ট্ৰ


ডাঃ অনিল হুমনে
স্ত্ৰী আৰু প্ৰসুতি ৰোগ বিভাগ
গভাৰ্মেন্ট মেডিকেল কলেজ
নাগপুৰ, মহাৰাষ্ট্ৰ


ডাঃ নাগেন্দ্ৰ চাৰলেচ পাণ্ডে
ৱৰলি হস্পিটেল ফৰ ৱমেন
ৱৰলি, মহাৰাষ্ট্ৰ


ডাঃ নিৰজকুমাৰ বাগৰে
স্ত্ৰী আৰু প্ৰসুতি ৰোগ বিভাগ
এইম্চ, ৰায়পুৰ, ছত্ৰিশগড়

ৰাষ্ট্ৰীয় এণ্ডমেট্ৰিয়চিছ চিকিৎসা সম্পৰ্কীয় প্ৰণালী বদ্ধ তথ্য সমষ্টি
ৰাষ্ট্ৰীয় এণ্ডমেট্ৰিয়চিছ জিন সম্পৰ্কীয় প্ৰণালী বদ্ধ তথ্য সমষ্টি
ৰাষ্ট্ৰীয় এণ্ডমেট্ৰিয়চিছ বায়ৰিপজিটৰী সম্পৰ্কীয় প্ৰণালী বদ্ধ তথ্য সমষ্টি

## সূচী ঃ ১ চিকিৎসকক সাক্ষাৎ কৰক

যদি আপোনাৰ শৰীৰত এণ্ডমেট্ৰিয়চিছৰ কোনো লক্ষণ দেখা দিছে, তেন্তে স্ত্ৰীৰোগ বিশেষজ্ঞৰ সৈতে আলোচনা কৰি পৰামৰ্শ গ্ৰহণ কৰক।

বিভিন্ন পৰীক্ষাৰ অন্তত এণ্ডমেট্ৰিয়চিছ ৰোগৰ অৱস্থিতি সন্দেহ কৰিলে, চিকিৎসকে লেপৰস্কপিৰ জৰিয়তে ৰোগৰ স্থিতি নিৰ্ণয় কৰিব। (য'ত অস্ত্ৰোপচাৰ কৰি এটা ছিদ্ৰৰ মাজেৰে পাতল আৰু খীন টিউব এডাল পেটৰ ভিতৰলৈ সোমোৱাই দিয়া হয়।

এণ্ডমেট্ৰিয়চিছ ৰোগৰ গৱেষণা সন্দৰ্ভত অধিক তথ্য জানিবলৈ তলত উল্লেখ কৰা ঠিকনাত যোগাযোগ কৰিব পাৰিব।


**ডাঃ ৰাহুল গাজভিয়ে**
বিজ্ঞানী, ৱেলকাম ট্ৰাষ্ট ডি.বি.টি. ইণ্ডিয়া এলায়েন্স
ক্লিনিকেল এণ্ড পাব্লিক হেলথ্ ইন্টাৰমেডিয়েট ফেল'

ঠিকনা ঃ ডিপাৰ্টমেন্ট অফ ক্লিনিকেল ৰিচাৰ্চ- নেচনেল ইনচটিটিউট ফ'ৰ ৰিচাৰ্চ ইন ৰিপ্ৰডাকটিভ হেলথ্ জাহাংগীৰ মেৰৱানজি ষ্ট্ৰীট, পাৰেল, মুম্বাই ৪০০০১২

ফোন ঃ +91 22-2419-2000/2166

ই-মেইল ঃ endonirrh@gmail.com

ৱেবছাইট ঃ www.nirrh.res.in
www.nirrh.res.in/scientist/rahul-gajbhiye/
www.endometriosis.ca/about/ambassador/gajbhiye-rahul/


ফ'ল কৰিব পাৰিব ঃ

https://twitter.com/icmrnirrh

https://www.facebook.com/ICMR-National-Institute-for-Research-in-Reproductive-Health-112408027010239/



আই.চি.এম. আৰ-নেচনেল ইনচটিটিউট ফ'ৰ ৰিচাৰ্চ ইন ৰি প্ৰডাক্টিভ হেলথ্, মুম্বাই
দ্য ৱেলকাম ট্ৰাষ্ট ডি.বি.টি ইণ্ডিয়া এলায়েঞ্চ,
এণ্ডমেট্ৰিয়চিছ চচাইটি অফ ইণ্ডিয়া

# নাৰীৰ স্বাস্থ্য

# এণ্ডমেট্ৰিয়চিছ




"নিৰৱে সহ্য নকৰিব"


icmr NIRRH

IndiaAlliance
DBT wellcome

## ঋতুচক্ৰ পৰিক্ৰমা

সাধাৰণতে ৮ ৰ পৰা ১৬ বছৰ বয়সৰ ভিতৰত কিশোৰী সকলৰ কন্যাকাল প্ৰাপ্তি হোৱা দেখা যায়। যাক যৌৱন অৱস্থাৰ আৰম্ভণি বুলিও কোৱা হয়। প্ৰতি ২৫ৰ পৰা ৩০ দিনৰ ভিতৰত আৰু গড়ে ২৮ দিনৰ অন্তৰালত মহিলা সকলৰ ঋতুস্ৰাৱ প্ৰক্ৰিয়া চলি থাকে। নাৰীৰ দেহত এই প্ৰক্ৰিয়া কন্যাকাল প্ৰাপ্তিৰ পৰা আৰম্ভ কৰি ৪০ বছৰ বা তাৰ উৰ্ধলৈকে অব্যাহত থাকে। ঋতুচক্ৰ বন্ধ হোৱা পৰিঘটনাক মেনপ'জ নামাৰে জনা যায়।

নাৰীৰ গৰ্ভশিয়ৰ একেবাৰে অন্তভাগত থকা আৱৰণ খনক এণ্ডমেট্ৰিয়াম বুলি কোৱা হয়। গৰ্ভাৱস্থাত এই আৱৰণখনৰ লগত ভ্ৰূণ সংযোজিত হয়। অৱশ্যে সাধাৰণ অৱস্থাত এই এণ্ডমেট্ৰিয়াম আৱৰণখন ভাঙি যায় আৰু তাৰ ফলত স্ত্ৰী অংগৰ জৰিয়তে ৰক্তক্ষৰণ হয়।




## এণ্ডমেট্ৰিয়চিছ কি ?

এণ্ডমেট্ৰিয়চিছ এটা নাৰী স্বাস্থ্যজনিত সমস্যা য'ত জৰায়ুৰ অন্ত ভাগৰ আৱৰণখনৰ পেশী সমূহ জৰায়ুৰ বাহিৰৰ বিভিন্ন স্থান যেনে ডিম্ব পৰিবাহী নলী, ডিম্বাশয়,কোষ আৰু অন্যান্য পেশী সমূহত বিকশিত হোৱা পৰিলক্ষিত হয়। তাৰ ওপৰিও ই মূত্ৰাশয়, অন্ত্ৰ আৰু অন্ত্ৰপুচ্ছ লৈকে প্ৰসাৰিত হব পাৰে।

## এণ্ডমেট্ৰিয়চিছ হ'লে কি হয় ?

এণ্ডমেট্ৰিয়টিক কোষ সমূহ জৰায়ুৰ বাহিৰ অংশত বিকশিত হয় আৰু প্ৰতিমাহে ঋতুস্ৰাৱ হোৱাৰ সময়ত ই নিসৰিত হয়। দেহৰ বাহিৰলৈ ওলাই আহিবলৈ এই কোষ সমূহৰ কোনো নিৰ্দিষ্ট পথ নাথাকে। গতিকে কোষসমূহ জৰায়ুৰ আশে পাশে জমা হবলৈ আৰম্ভ কৰি নিকটৱৰ্তী কোষসমূহক ইটো সিটোৰ সৈতে সংযোজিত কৰি তোলে। যাৰ ফলত শ্ৰোণী অংশৰ অধিকাংশ অংগৰ ক্ষতি সাধন হয়।

### এণ্ডমেট্ৰিয়চিছ ৰোগ কিমান শতাংশ মহিলাৰ হোৱা দেখা যায়?

যিকোনো জনসংখ্যাৰ প্ৰতি ১০% প্ৰজননক্ষম মহিলাৰ মাজত এই ৰোগবিধে প্ৰভাৱ পেলোৱা পৰিলক্ষিত হয়।



## লক্ষণ সমূহ




## এণ্ডমেট্ৰয়চিছৰ কাৰণ সমূহ

এণ্ডমেট্ৰয়চিছ ৰোগৰ প্ৰকৃত কাৰণ সমূহৰ বিষয়ে অধ্যয়ণ কৰি থকা হৈছে যদিও বৰ্তমানলৈকে ইয়াৰ কাৰণ সমূহ জানিব পৰা হোৱা নাই। তলত কেইটামান সম্ভাব্য কাৰণ উল্লেখ কৰা হৈছে--

- প্ৰজনন আৰু ঋতুস্ৰাৱ সম্পৰ্কীয় কাৰক
- আণুবংশিক, পৰিয়ালৰ কোনো ব্যক্তিৰ যদি এই ৰোগৰ লগত সম্পৰ্কীত
- পৰিৱেশ
- ৰোগ প্ৰতিৰোধৰ অক্ষমতা


## ৰোগ নিৰ্ণয়কৰণ

কোনো সাধাৰণ তেজ পৰীক্ষাৰ দ্বাৰা এই ৰোগৰ স্থিতি নিৰ্ণয় কৰিব নোৱাৰি। হিষ্টলজিকেল পৰীক্ষাৰ লগত লেপাৰস্কপি চাজাৰী হৈছে এণ্ডমেট্ৰিয়চিছ ৰোগ নিৰ্ণয়কৰণৰ একমাত্ৰ উপায়।



## এণ্ডমেট্ৰিয়চিছৰ ব্যৱস্থাপনা

এইৰোগৰ কোনো স্থায়ী চিকিৎসা বা সমাধান নাই যদিও শল্যচিকিৎসা বা ঔষধৰ দ্বাৰা ৰোগী সকলে কিছু পৰিমাণে লক্ষণ সমূহৰ পৰা উপসম পাব পাৰে




যেনেকৈয়ে নহওক, প্ৰতি ৫ গৰাকী মহিলাৰ ভিতৰত এগৰাকীৰ এই ৰোগৰ লক্ষণ সমূহ পুনৰাবৃত্তি হোৱা দেখা যায়।